# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 08-06-2024
**Time :** 1715 Hrs

# *Assamese Evening Bulletin*

- - - - - - - - - - - - - - -

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাৰ্যকৰী প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কেন্দ্ৰত এখন নতুন চৰকাৰ গঠনৰ বাবে আমন্ত্ৰণ জনাইছে। ৰাষ্ট্ৰপতি ভৱনত কাইলৈ সন্ধিয়া ৭ বাজি ১৫ মিনিটত প্ৰধানমন্ত্ৰী তথা নতুন চৰকাৰ শপতগ্ৰহণ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

এন ডি এ মিত্ৰজোঁটৰ পৰা প্ৰধানমন্ত্ৰী পদৰ বাবে মনোনীত হোৱাৰ পাছত নৰেন্দ্ৰ মোদীয়ে কালি সন্ধিয়া ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে আৰু চৰকাৰ গঠনৰ দাবী উত্থাপন কৰে। ইয়াৰ পূৰ্বে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ নেতৃত্বত এন ডি এ-ৰ এটা প্ৰতিনিধি দলেও ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰে আৰু নৰেন্দ্ৰ মোদীক বিজেপি সংসদীয় দলৰ নেতা হিচাপে বাছনি কৰা বুলি উল্লেখ কৰি এখন পত্ৰ প্ৰদান কৰে। এন ডি এৰ অংশীদাৰ দলসমূহৰ সমৰ্থনৰ পত্ৰও ৰাষ্ট্ৰপতিৰ ওচৰত অৰ্পণ কৰা হয়।

ৰাষ্ট্ৰপতিক সাক্ষাতৰ পাছত ৰাষ্ট্ৰপতি ভৱনৰ বাহিৰত শ্ৰীমোদীয়ে কয় যে, এন ডি এই এখন শক্তিশালী, সুস্থিৰ আৰু বিকাশমুখী চৰকাৰ গঠন কৰিব। শ্ৰীমোদীয়ে লগতে ৰাষ্ট্ৰপতিয়ে তেওঁক কাৰ্যবাহী প্ৰধানমন্ত্ৰী হিচাপে মনোনীত কৰিছে বুলি অৱগত কৰে। ইতিমধ্যে ৰাষ্ট্ৰপতি ভৱনৰ তৰফৰ পৰা ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সংবিধানৰ ৭৫ (১) অনুচ্ছেদৰ অধীনৰ ক্ষমতা প্ৰয়োগ কৰি শ্ৰীমোদীক ভাৰতৰ প্ৰধানমন্ত্ৰী পদত নিযুক্তি দিছে বুলি সামাজিক মাধ্যমযোগে অৱগত কৰিছে।

উল্লেখযোগ্য প্ৰধানমন্ত্ৰী আৰু মন্ত্ৰী পৰিষদৰ শপতগ্ৰহণ অনুষ্ঠানত অংশ লোৱাৰ বাবে শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি ৰণিল উইক্ৰেমাসিংঘে, মালদ্বীপৰ ৰাষ্ট্ৰপতি ডঃ মহম্মদ মুইজ্জু, চিচিলিচৰ উপ-ৰাষ্ট্ৰপতি আহমেদ আফিফ, মৰিচাছৰ প্ৰধানমন্ত্ৰী প্ৰবীণ্ড কুমাৰ যুগনাথ, নেপালৰ প্ৰধানমন্ত্ৰী পুষ্প কমল দাহাল আৰু ভূটানৰ প্ৰধানমন্ত্ৰী চেৰিং তব্‌গেই ৰাষ্ট্ৰপতি ভৱনৰ আমন্ত্ৰণ গ্ৰহণ কৰিছে। বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনা ইতিমধ্যে নতুন দিল্লীত উপস্থিত হৈছে।

ooooo

আজি নতুন দিল্লীত অনুষ্ঠিত কংগ্ৰেছ দলৰ কাৰ্যকৰী সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠকত দলৰ নেতা ৰাহুল গান্ধীক বিৰোধী দলৰ নেতা হিচাপে সৰ্বসন্মতিক্ৰমে বাছনি কৰা হৈছে। শ্ৰীগান্ধীৰ নেতৃত্বত সংসদত এটা শক্তিশালী আৰু সক্ৰিয় বিৰোধী গঠন হ'ব বুলি কংগ্ৰেছৰ কাৰ্যকৰী সমিতিয়ে আশা প্ৰকাশ কৰে। বৈঠকত কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, জ্যেষ্ঠ নেতা ছোনীয়া গান্ধী, ৰাহুল গান্ধী আৰু দলৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ৱাড্ৰাকে ধৰি দলীয় নেতাসকল উপস্থিত থাকে। উল্লেখযোগ্য যে শেহতীয়া লোকসভা নিৰ্বাচনত দলৰ প্ৰদৰ্শনক লৈ আলোচনা কৰাৰ বাবে এই বৈঠক আহ্বান কৰা হৈছিল। বৈঠকত দলটোৰ জ্যেষ্ঠ নেতা জয়ৰাম ৰমেশে বিগত লোকসভা নিৰ্বাচনত কংগ্ৰেছকে ধৰি বিৰোধী মিত্ৰজোঁটৰ প্ৰদৰ্শন যথেষ্ট আশাব্যঞ্জক বুলি মন্তব্য কৰে। উত্তৰ-পূৰ্বাঞ্চলত

বিশেষকৈ হিংসাজৰ্জৰ মণিপুৰ লগতে নাগালেণ্ড আৰু অসমতো দলটোৰ চমকপ্ৰদ প্ৰদৰ্শনৰ বিষয়ে কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই বৈঠকৰ আৰম্ভণিত উল্লেখ কৰে।

০০০০০

বৰপেটা জিলাৰ হাউলীৰ ৰাষ্ট্ৰীয় ঘাইপথত দীৰ্ঘদিনৰ পৰা সক্ৰিয় হৈ থকা তেল চোৰৰ চক্ৰ এটাৰ এজন সদস্যক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সমৰ্থ হ'ল। টেংকাৰৰ পৰা তেল চুৰি কৰি থকা অৱস্থাতে হাতে-লোটে ধৰা পৰা লোকজনৰ লগতে আৰক্ষীয়ে টেংকাৰখনৰ চালক আৰু সহকাৰীজনকো গ্ৰেপ্তাৰ কৰে। অৱশ্যে ঘটনাস্থলীৰ পৰা অন্য এজন অভিযুক্ত পলায়ন কৰিবলৈ সমৰ্থ হয়। আৰক্ষীয়ে ধৃত চোৰজনৰ বাসগৃহৰ পৰা বুজন পৰিমাণৰ চোৰাং তেলৰ লগতে এখন চাৰিচকীয়া বাহনো জব্দ কৰে।

০০০০০

বিশিষ্ট নাট্যকাৰ প্ৰয়াত শুক্ৰাচাৰ্য ৰাভাৰ ষষ্ঠ মৃত্যু বাৰ্ষিকী উপলক্ষে আজি গোৱালপাৰা জিলাত থকা বাদুংদুপ্পা কলা কেন্দ্ৰত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। এই উপলক্ষে নাট্যকাৰগৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজলন আৰু মাল্যাৰ্পন কৰা হয়। তাৰ পাছতে বাদুংদুপ্পাৰ বাকৰিত ৰাভাসকলৰ ফাৰ্কান্তি নৃত্য পৰিবেশন কৰাৰ লগতে নাট্যকাৰগৰাকীৰ স্মৃতিত শ্ৰদ্ধা জনাবলৈ সংকীৰ্তন কৰা হয়। বিয়লি স্থানীয় শিল্পীসকলৰ দ্বাৰা দদান ৰাজা নামেৰে এখন নাট পৰিবেশন কৰা হয়।

০০০০০

ৰে'লৰে আৰক্ষীয়ে আজি গুৱাহাটী ৰে'লৰে ষ্টেচনত অভিযান চলাই বুজন পৰিমাণৰ ভাং জব্দ কৰিবলৈ সমৰ্থ হয়। নিউ তিনিচুকীয়া-বেংগালুৰু এক্সপ্ৰেছত চলোৱা তালাচীত ৰে'লৰে আৰক্ষীয়ে প্ৰায় ৪৪ কিলোগ্ৰাম ভাং জব্দ কৰে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে কেৰালাৰ দুজন ব্যক্তিক গ্ৰেপ্তাৰ কৰিছে। আৰক্ষীৰ সূত্ৰ অনুযায়ী লোকদুজনে নিচাযুক্ত দ্ৰব্যখিনি গুৱাহাটীৰ পৰা বেংগালুৰুলৈ নিয়াৰ প্ৰচেষ্টা চলাইছিল।

ইফালে কাৰ্বি আংলং জিলাতো জিলা আৰক্ষীয়ে অভিযান চলাই লাহৰিজানত এখন বাহনৰ পৰা ৮৪৫ গ্ৰামৰো অধিক হেৰ'ইন জব্দ কৰাৰ লগতে দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। গোপন সূত্ৰ পম খেদি চলোৱা অভিযানত আৰক্ষীয়ে বাহনখনৰ গোপন চেম্বাৰত লুকুৱাই অনা হেৰ'ইনখিনি জব্দ কৰিবলৈ সমৰ্থ হয়। জব্দকৃত হেৰ'ইনখিনি মণিপুৰৰ পৰা গুৱাহাটীলৈ আনিবলৈ প্ৰচেষ্টা চলোৱা হৈছিল। আন্তঃৰাষ্ট্ৰীয় বজাত ইয়াৰ মূল্য প্ৰায় ২ কোটি টকা বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে যোগ সাধনাৰ ইতিবাচক দিশ সন্দৰ্ভত ৰাইজৰ মাজত সজাগতা বৃদ্ধিৰ বাবে কেতবোৰ বিশেষ কাৰ্যসূচীৰ প্ৰস্তুতি চলাইছে। কালি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ সচিব সঞ্জয় জাজু আৰু আয়ুস বৈদ্য ৰাজেশ কোটেশাই এই বছৰৰ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ লগত সংগতি ৰাখি প্ৰস্তুত কৰা কাৰ্যসূচীসমূহ পৰ্যবেক্ষণ কৰে। আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ লগত সংগতি ৰাখি আকাশবাণী আৰু দূৰদৰ্শনে যোগ বিশেষজ্ঞৰ সাক্ষাৎকাৰ আৰু কেতবোৰ প্ৰাতঃ অনুষ্ঠানৰ পোনপটীয়া প্ৰচাৰ কৰা হ'ব।

০০০০০

সমাপ্ত